**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-04-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, আই এন ডি আই মিত্ৰজোঁটৰ কোনো স্পষ্ট দৃষ্টিভংগী নাই আৰু কোনো বিশ্বাসযোগ্যতা নাই ।

২। চীনে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত প্ৰস্তুত কৰা বিষয়বস্তুৰে ভাৰত, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু দক্ষিণ কোৰিয়াৰ নিৰ্বাচন বিঘ্নিত কৰাৰ বাবে সাজু হৈছে বুলি মাইক্ৰ'ছফ্‌টে সকিয়াই দিছে।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলত পৰৱৰ্তী ৬ দিনত বৰষুণ হ'ব পাৰে আৰু প্ৰতিঘণ্টাত ৫০ কিলোমিটাৰ বেগেৰে বতাহ বলিব পাৰে বুলি আগলি বতৰা দিছে।

৪। আজি বিশ্ব স্বাস্থ্য দিৱস। স্বাস্থ্যৰ প্ৰতি সমগ্ৰ বিশ্বত সজাগতাৰ সৃষ্টি কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে ৭ মাৰ্চৰ দিনটোত বিশ্ব স্বাস্থ্য দিৱস হিচাপে পালন কৰা হয়। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দেলহি কেপিটেলছ মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হোৱাৰ বিপৰীতে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ গুজৰাট টাইটানছৰ মুখামুখি হ'ব।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, আই এন ডি আই মিত্ৰজোঁটৰ কোনো স্পষ্ট দৃষ্টিভংগী নাই আৰু কোনো বিশ্বাসযোগ্যতা নাই আৰু সেয়েহে মিত্ৰজোঁটটোৰ অভ্যন্তৰীণ মতভেদ ৰাজহুৱা হৈছে। বিহাৰৰ নৱাডাৰ কুন্তীনগৰৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি শ্ৰী মোদীয়ে আজি এইদৰে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, বিৰোধী মিত্ৰজোঁটৰ নেতাসকল তেওঁৰ প্ৰতিশ্ৰুতিকলৈ ভীতিগ্ৰস্ত হৈছে, কিয়নো তেওঁলোকে দুৰ্নীতিৰ সমৰ্থন কৰে। শ্ৰীমোদীয়ে এইবুলি অভিযোগ তোলে যে, কংগ্ৰেছ, আৰ জে ডি আৰু অন্য দলসমূহে দেশখনক বিভাজিত কৰিব খোজে, কিয়নো তেওঁলোকে সমগ্ৰ দেশতে সমভাৱে সংবিধান ৰূপায়ণ কৰিব নিবিচাৰে। তেওঁ লগতে কংগ্ৰেছৰ ইস্তাহাৰক তোষামোদৰ নথি বুলিও অভিহিত কৰে।

০০০০০০০

চীনে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত প্ৰস্তুত কৰা বিষয়বস্তুৰে ভাৰত, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু দক্ষিণ কোৰিয়াৰ নিৰ্বাচন বিঘ্নিত কৰাৰ বাবে সাজু হৈছে বুলি মাইক্ৰ'ছফ্‌টে সকিয়াই দিছে। চীনে টাইৱানৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত ফলাফল প্ৰভাৱিত কৰাৰ বাবে পৰীক্ষা চলোৱাৰ পাছতে আগশাৰীৰ কম্পিউটাৰ ছফ্‌টৱেৰ কোম্পানীটোৱে এইদৰে সকিয়াই দিছে। চলিত বৰ্ষত ইউৰোপীয় সংঘৰ উপৰি বিশ্বৰ বিভিন্ন প্ৰান্তৰ কমেও ৬৪ খন দেশত ৰাষ্ট্ৰীয় নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা আছে। এই দেশকেইখনৰ জনসংখ্যা বিশ্বৰ মুঠ জনসংখ্যাৰ প্ৰায় ৪৯ শতাংশ।

মাইক্ৰ'ছফ্‌টৰ চোৰাংচোৱা দলে প্ৰকাশ কৰা মতে, চীনৰ চৰকাৰী পৃষ্ঠপোষকতাপ্ৰাপ্ত চাইবাৰ গোটসমূহে উত্তৰ কোৰিয়াৰ সহযোগত ২০২৪ চনৰ নিৰ্বাচনী সূচীক লক্ষ্য কৰি লোৱাৰ সম্ভাৱনা আছে। মাইক্ৰ'ছফ্‌টে কৈছে যে, চীনে নিৰ্বাচনৰ সময়ত নিজৰ স্বাৰ্থক জনমতলৈ পৰিৱৰ্তন কৰাৰ উদ্দেশ্যে সামাজিক মাধ্যমযোগে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত প্ৰস্তুত কৰা বিষয়বস্তু প্ৰচাৰ কৰাৰ সম্ভাৱনা আছে।

কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিৰ সহায়ত দীপ ফেক অথবা মনেসজা ঘটনাসহ ভুৱা বিবৃতি প্ৰস্তুত কৰিব পৰা যায়।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলত পৰৱৰ্তী ৬ দিনত বৰষুণ হ'ব পাৰে আৰু প্ৰতিঘণ্টাত ৫০ কিলোমিটাৰ বেগেৰে বতাহ বলিব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, চট্টিশগড়, পশ্চিমবংগ আৰু ওড়িশাৰ বিভিন্ন

অংশত আজি বতৰ অতি বেয়া হ'ব পাৰে বুলি সতৰ্কতা জাৰি কৰিছে। ইয়াৰ লগতে বিভাগটোৱে দেশৰ বিভিন্ন অংশত বিজুলী-ঢেৰেকনিৰে মজলীয়া ধৰণৰ বৃষ্টিপাত হ'ব পাৰে বুলিও প্ৰকাশ কৰিছে। ঝাৰখণ্ড, পশ্চিমবংগ, ওড়িশা আৰু বিহাৰত কাইলৈ পৰ্যন্ত বতৰ বেয়া হৈ থাকিব বুলি কোৱা হৈছে। বিভাগটোৱে দেশৰ পূব আৰু উপদ্বীপ অঞ্চলত আজি আৰু কাইলৈ গ্ৰীষ্ম প্ৰবাহ অব্যাহত থাকিব বুলি সম্ভাৱনা প্ৰকাশ কৰিছে। তামিলনাডু, কৰ্ণাটক আৰু তেলেংগানাৰ ঠাই বিশেষে আজি গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থকাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগে লগতে গুজৰাট, অন্ধ্ৰপ্ৰদেশ, পুডুচেৰী আৰু কেৰালাত অহা ১০ এপ্ৰিল পৰ্যন্ত বতৰ গৰম আৰু আৰ্দ্ৰ হৈ থাকিব বুলি প্ৰকাশ কৰিছে।

0000000

আজি বিশ্ব স্বাস্থ্য দিৱস। স্বাস্থ্যৰ প্ৰতি সমগ্ৰ বিশ্বত সজাগতাৰ সৃষ্টি কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে ৭ মাৰ্চৰ দিনটোত বিশ্ব স্বাস্থ্য দিৱস হিচাপে পালন কৰা হয়। বিশ্ব স্বাস্থ্য সংস্থাই এইবেলি **মোৰ স্বাস্থ্য মোৰ অধিকাৰ** এই দিৱসৰ মূল বিষয়বস্তু হিচাপে থিৰাং কৰিছে। অত্যৱশ্যকীয় স্বাস্থ্য সেৱাৰ পৰা বঞ্চিত বিশ্বৰ মুঠ জনসংখ্যাৰ আধাতকৈও অধিক অৰ্থাৎ ৪৫০ কোটি লোকলৈ স্বাস্থ্য সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে এই বিষয়বস্তু বাছনি কৰা হৈছে। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ অধ্যাপক ডাঃ ৰীমা দাদাই কয় যে, জীৱনশৈলী পৰিৱৰ্তন কৰি আৰু যোগৰ দৰে অভ্যাস গ্ৰহণ কৰি বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত বিপজ্জনকভাৱে বৃদ্ধি পোৱা জীৱনশৈলীজনিত ৰোগ দূৰ কৰিব পৰা যায়।

বিশ্ব স্বাস্থ্য সংস্থাই স্বাস্থ্যৰ বিষয়ে সমগ্ৰ বিশ্বৰ মনোযোগ আকৰ্ষণ কৰাৰ উদ্দেশ্যে সংস্থাটোৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ১৯৫০ চনত প্ৰথমবাৰৰ বাবে বিশ্ব স্বাস্থ্য দিৱস পালন কৰিছিল।

0000000

নিৰ্বাচন আয়োগে কৈছে যে, লোকসভা নিৰ্বাচন ঘোষণা কৰাৰ পাছৰে পৰা মাত্ৰ ২০ দিনৰ ভিতৰত **সুবিধা** প'ৰ্টেলযোগে ৭৩ হাজাৰৰো অধিক আবেদন লাভ কৰা হৈছে। নিৰ্বাচনী প্ৰচাৰকালৰ গুৰুত্বৰ কথা অনুধাৱন কৰি সুবিধা প'ৰ্টেলৰ জৰিয়তে সমাৰেশৰ আয়োজন, ৰাজনৈতিক দলৰ অস্থায়ী কাৰ্যালয় মুকলি, ঘৰে ঘৰে প্ৰচাৰ, ভিডিঅ' ভেন, হেলিকপ্টাৰ , বাহনৰ অনুজ্ঞাপত্ৰ লাভ কৰা আৰু প্ৰচাৰ সামগ্ৰী বিতৰণ কৰাৰ অনুমতি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

আয়োগে কৈছে যে, প্ৰাপ্ত অনুৰোধৰ ভিতৰত ৪৪ হাজাৰ ৬০০ৰো অধিক অনুৰোধৰ ইতিমধ্যে অনুমোদন জনোৱা হৈছে আৰু দল তথা প্ৰাৰ্থীসকলৰ বাবে সমান সুযোগ উপলব্ধ কৰোৱা হৈছে। আয়োগে কৈছে যে, সুবিধা প'ৰ্টেলে নিৰ্বাচনী ব্যৱস্থাপনাৰ ক্ষেত্ৰত স্বচ্ছতা বৰ্তাই ৰখাত সহায়ক হৈছে। আয়োগে প্ৰকাশ কৰা মতে, প্ৰায় ১১ হাজাৰ ২০০ অনুৰোধ প্ৰত্যাখ্যান কৰা হৈছে আৰু ১০ হাজাৰৰো অধিক অনুৰোধ বাতিল কৰা হৈছে। বাকী অনুৰোধ সমূহৰ প্ৰক্ৰিয়া অব্যাহত আছে। তামিলনাডুৰ পৰা সৰ্বাধিক ২৩ হাজাৰ অনুৰোধ লাভ কৰা হৈছে। এইক্ষেত্ৰত পশ্চিম বংগ প্ৰায় ১২ হাজাৰ অনুৰোধৰে দ্বিতীয় আৰু মধ্য প্ৰদেশ ১০ হাজাৰ অনুৰোধৰে তৃতীয় স্থানত আছে। সুবিধা পৰ্টেল স্বতন্ত্ৰ, নিৰপেক্ষ আৰু স্বচ্ছ নিৰ্বাচনৰ গণতান্ত্ৰিক আদৰ্শ মানি সকলোকে সমান সুযোগ প্ৰদানৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে বিকশাই তোলা একপ্ৰকাৰ প্ৰযুক্তি। ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰৰ অনুমতিৰ বাবে এই প'ৰ্টেলৰ জৰিয়তে অনলাইন অনুৰোধ কৰিব পাৰে। সকলো পক্ষক সমান সুযোগ উপলব্ধ কৰোৱাৰ বাবে অফলাইন পদ্ধতিৰেও আবেদন কৰিব পৰা যায়।

0000000

কংগ্ৰেছে কালি বিয়লি তেলেংগানাৰ ৰাজধানী হায়দৰাবাদৰ পৰা ৪০ কিলোমিটাৰ নিলগৰ ৰংগাৰেড্ডী জিলাৰ থুক্কুগুড়াত জনযাত্ৰা শীৰ্ষক ৰাজহুৱা সভাৰে ৰাজ্যখনৰ পৰা লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ শুভাৰম্ভ কৰে। তেলেগু ভাষাত দলৰ ইস্তাহাৰ মুকলি কৰাৰ পাছত এখন জনসভাক সম্বোধন কৰি কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কয় যে, কংগ্ৰেছ তেলেংগানা বিধানসভাৰ সময়ত দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিবলৈ বদ্ধপৰিকৰ। শ্ৰী গান্ধীয়ে এই প্ৰতিশ্ৰুতিসমূহ পূৰণৰ অংগীকাৰ লয়। কৰ্মসংস্থাপনৰ সুবিধা সৃষ্টিৰ বাবে চলোৱা প্ৰয়াসত আলোকপাত কৰি নেতাগৰাকীয়ে কয় যে, তেলেংগানাত কংগ্ৰেছ চৰকাৰে ইতিমধ্যে ৩০ হাজাৰ কৰ্মসংস্থাপন সৃষ্টি কৰিছে আৰু ৰাজ্য চৰকাৰে অধিক সুযোগ সৃষ্টিৰ পৰিকল্পনা কৰিছে।

0000000

ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ ১০টা দিন বাকী থকা অৱস্থাত প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যাপ্ৰসাদ তাছাৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। ড°

শৰ্মাই দেৰগাঁৱৰ এখন সভাত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই আজি দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলোৱাৰ বাবে বোকাখাত, হোজাইৰ লগতে বিয়লি ডিব্ৰুগড়ত উপস্থিত হোৱাৰ কথা আছে। একেদৰে বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ লাইপুলি মৰাণকাৰী গাঁও, মহাকালি চাহ বাগিচা আৰু নেপালি খেলপথাৰত প্ৰচাৰ চলায়।

ইপিনে, কংগ্ৰেছ দলৰ গৌৰৱ গগৈয়ে আজি ডিমৌ ৰজাবাৰী বাগিচাৰ প্ৰচাৰ চলায়। শ্ৰী গগৈয়ে প্ৰচাৰ অভিযানত ভাগ লৈ মনোনয়ন দাখিলৰ দিনাই জয়ী হোৱা বুলি মন্তব্য কৰে। কংগ্ৰেছ দলৰ আন এগৰাকী নেতা তথা প্ৰাক্তন মন্ত্ৰী এটোৱা মুণ্ডাই গহপুৰৰ বিভিন্ন চাহ বাগিচাত দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰত অংশ লয়। আনহাতে, বিপিএফ দলৰ খামফা বৰগঞাৰীয়ে আজি কোকৰাঝাৰৰ বিভিন্ন ঠাইত প্ৰচাৰ চলায়।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা ৭ বাজি ৪৫ মিনিটত চলন্তিকা লোকনিৰ্ণয় -২০২৪ অনুষ্ঠানত লোকসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ সৈতে সাক্ষাৎকাৰ প্ৰচাৰ কৰিব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। ইয়াৰে বিয়লি চাৰে ৩ বজাত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন খেলত দেলহি কেপিটেলছ মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হ'ব। আনহাতে সন্ধিয়া চাৰে ৭ বজাত লক্ষ্ণৌৰ শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ গুজৰাট টাইটানছৰ মুখামুখি হ'ব।

ইপিনে, ৰাজস্থান ৰয়েলছে যোৱা নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ১৮৪ ৰানৰ বিজয় লক্ষ্যৰে খেলা আৰম্ভ কৰি ১৯ অভাৰ আৰু এটা বলত ৪টা উইকেট হেৰুৱাই ১৮৯ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৩ উইকেটৰ বিনিময়ত ১৮৩ ৰান কৰে।

০০০০০০০

ঃসমাপ্তঃ